# REGIONAL NEWS UNIT
## AKASHVANI, GUWAHATI
0000000000

**Date :** 22-SEP-2025
**Time :** 1845 HRS

## *Assamese Evening Bulletin*
### Headlines
--------------------

১।	অসমৰ সংগীত আকাশৰ জ্যোতিষ্ক জুবিন গাৰ্গক অন্তিম দৰ্শনৰ বাবে সৰুসজাই ষ্টেডিয়ামত আজিও অভাৱনীয় জন সমাগম।

২।	ভূটান ৰাজপৰিয়ালৰ প্ৰতিনিধিকে ধৰি বহু ব্যক্তিৰ শিল্পীগৰাকীলৈ শ্ৰদ্ধা জ্ঞাপন।

৩।	জনসাধাৰণৰ বিপুল দাবীৰ পৰিপ্ৰেক্ষিতত আদৰৰ শিল্পী জুবিন গাৰ্গৰ পুনৰ মৰণোত্তৰ পৰীক্ষা সম্পন্ন কৰিবলৈ ৰাজ্য চৰকাৰৰ সিদ্ধান্ত।

৪।	বিটিচি পৰিষদীয় নিৰ্বাচনৰ ভোটগ্ৰহণ শান্তিপূৰ্ণভাৱে সম্পন্ন। ৭২ দশমিক ৬-১ শতাংশ ভোটদান। ***আৰু***

৫।	প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ অৰুণাচল প্ৰদেশত কেইবাটাও প্ৰকল্পৰ আধাৰশিলা স্থাপন।

ooooo

কফিনত শুই থকা অসমৰ সংগীত আকাশৰ জ্যোতিষ্কক শেষবাৰৰ বাবে ওচৰৰ পৰা চাবলৈ আজিও অগণন লোক সৰুসজাই ষ্টেডিয়ামত সমবেত হয়।

**গান ঃ.....**

ৰাজ্যৰ সংগীত ক্ষেত্ৰত কাহানিও পূৰাব নোৱৰা শূন্যতাৰ সৃষ্টি কৰি আকস্মিকভাৱে আঁতৰি যোৱা প্ৰাণৰ শিল্পী জুবিন গাৰ্গক অনুৰাগীসকলে আজিও অভূতপূৰ্ব ৰূপত শ্ৰদ্ধা নিবেদন কৰে। হিয়াৰ আমঠু শিল্পীগৰাকীক শেষ দৰ্শনৰ বাবে সৰুসজাইৰ অৰ্জুন ভোগেশ্বৰ বৰুৱা ক্ৰীড়া প্ৰকল্পত কালি গোটেই নিশা অজস্ৰ গুণমুগ্ধই ভিৰ কৰে। আজি পুৱাৰে পৰা ষ্টেডিয়ামত শিল্পীগৰাকীক অন্তিমবাৰৰ বাবে দৰ্শন কৰিবলৈ বিৰ দি বাট নোপোৱা পৰিৱেশৰ সৃষ্টি হয়।

**গান ঃ.....**

শিল্পীগৰাকীক সকলো অনুৰাগীয়ে শ্ৰদ্ধাঞ্জলি জনাব পৰাকৈ আজিও ষ্টেডিয়াম খোলা থাকিব। জুবিন গাৰ্গৰ মৃত্যুত ঘোষণা কৰা ৰাজ্যিক শোক কাইলৈ পৰ্যন্ত বৃদ্ধি কৰা হৈছে। কাইলৈ যোৰাবাটৰ সমীপৰ কমাৰকুছিত ৰাজ্যিক মৰ্যাদাৰে শেষকৃত্য সম্পন্ন কৰা হ'ব।

মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই আজি অন্ত্যেষ্টিক্ৰিয়াৰ স্থান পৰিদৰ্শন কৰি কয়, যে এই কাৰ্যসূচীত কেন্দ্ৰীয় চৰকাৰ আৰু বিভিন্ন ৰাজ্যৰ প্ৰতিনিধিয়ে অংশগ্ৰহণ কৰিব। কেন্দ্ৰীয় মন্ত্ৰী কিৰেন ৰিজিজু, সৰ্বানন্দ সোণোৱাল, অসম বিধানসভাৰ অধ্যক্ষ বিশ্বজিৎ দৈমাৰী, বিধানসভাৰ বিৰোধী পক্ষৰ নেতা দেৱব্ৰত শইকীয়া আৰু মেঘালয়ৰ উপ-মুখ্যমন্ত্ৰীও শেষকৃত্য কাৰ্যসূচীত উপস্থিত থাকিব। সুকলমে এই কাৰ্য সম্পন্ন কৰাৰ বাবে সকলো ধৰণৰ সতৰ্কতামূলক ব্যৱস্থা গ্ৰহণ কৰা হ'ব বুলি মুখ্যমন্ত্ৰীয়ে জানিবলৈ দিয়ে।

**বাইট (চি এম) - ১**

কাইলৈ সৰুসজাই ষ্টেডিয়ামৰ পৰা অন্ত্যেষ্টিক্ৰিয়াৰ স্থানলৈ শিল্পীগৰাকীৰ পাৰ্থিৱ শৰীৰ লৈ যোৱা সময়ৰে পৰা শেষকৃত্য সম্পন্ন হোৱালৈ ভিডিঅ'গ্ৰাফী কৰা হ'ব বুলি মুখ্যমন্ত্ৰীয়ে প্ৰকাশ কৰে। তেওঁ কয়, যে কাইলৈ শেষকৃত্যত হ'বলগীয়া ভিৰৰ প্ৰতি লক্ষ্য ৰাখি দিনৰ ২ বজালৈ ৰাষ্ট্ৰীয় ঘাইপথ বন্ধ ৰখা হ'ব আৰু আৰক্ষীয়ে আইন

শৃংখলা ৰক্ষাৰ বাবে সকলো ব্যৱস্থা গ্ৰহণ কৰিব। আকাশবাণী গুৱাহাটী কেন্দ্ৰই জুবিন গাৰ্গৰ অন্তিম যাত্ৰাৰ চলন্ত বিৱৰণী প্ৰচাৰ কৰিব।

জুবিন গাৰ্গৰ পৰিয়াল সিদ্ধান্তমৰ্মে শিল্পীগৰাকীৰ ১৩ দিনীয়া শ্ৰাদ্ধানুষ্ঠান যোৰহাটত পালন কৰা হ'ব আৰু সেইদিনাই তেওঁৰ চিতাভস্ম যোৰহাটৰ ৰাইজক আনুষ্ঠানিকভাৱে অৰ্পণ কৰা হ'ব। মুখ্যমন্ত্ৰীয়ে কয়, যে শিল্পীগৰাকীৰ সন্মানাৰ্থে কাইলৈ অসমৰ সকলো শিক্ষানুষ্ঠান বন্ধ থাকিব। কামৰূপ মহানগৰ জিলাৰ চৰকাৰী কাৰ্যালয়সমূহ বন্ধ থাকিব যদিও বাকী সকলো ঠাইতে কাৰ্যালয় খোলা ৰখা হ'ব বুলি মুখ্যমন্ত্ৰীয়ে উল্লেখ কৰে।

**বাইট (চি এম) - ২**

সদৌ অসম ছাত্ৰ সন্থাৰ এটা প্ৰতিনিধি দলে আজি কমাৰকুছিত জুবিন গাৰ্গৰ শেষকৃত্য স্থান পৰিদৰ্শন কৰে। সংগঠনটোৰ মুখ্য উপদেষ্টা সমুজ্জ্বল কুমাৰ ভট্টাচাৰ্যই সেই স্থান পৰিদৰ্শনৰ পাছত শিল্পীগৰাকীৰ সমাধিস্থলী বিশ্বমানৰ আৰু সৰ্বোৎত্তম ৰূপত নিৰ্মাণ কৰাৰ বাবে চৰকাৰক আহ্বান জনায়।

**বাইট (সমুজ্জ্বল কুমাৰ ভট্টাচাৰ্য)**

অসম জাতীয়তাবাদী ছাত্ৰ পৰিষদৰ এটা সজাতি দলে আজি শিল্পীগৰাকীৰ অন্ত্যেষ্টিক্ৰিয়াৰ স্থান পৰিদৰ্শন কৰে। তেওঁলোকে ৰাইজৰ সুবিধা হোৱাকৈ সেই স্থান উপযোগী কৰি তুলিবলৈ আহ্বান জনায়।

ইপিনে আজিও জুবিন গাৰ্গক দেশ-বিদেশৰ বিভিন্ন সন্মানীয় ব্যক্তিয়ে আহি সৰুসজাই ষ্টেডিয়ামত শেষ শ্ৰদ্ধা জ্ঞাপন কৰে। ৰাজ্যপাল লক্ষ্মণ প্ৰসাদ আচাৰ্যই আজি শিল্পীগৰাকীক শ্ৰদ্ধাঞ্জলি নিবেদন কৰে। ভূটানৰ ৰজা জিগমে খেচাৰ নামগিয়াল ৱাংচুকৰ বিশেষ প্ৰতিনিধিয়ে আজি শিল্পীগৰাকীক অন্তিম শ্ৰদ্ধা জ্ঞাপন কৰে।

০০০০০

ৰাজ্য চৰকাৰে অসমৰ জনসাধাৰণৰ বিপুল দাবীৰ পৰিপ্ৰেক্ষিতত আদৰৰ শিল্পী জুবিন গাৰ্গৰ পুনৰ মৰণোত্তৰ পৰীক্ষা সম্পন্ন কৰিব। মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই কিছু সময়ৰ পূৰ্বে এখন সংবাদমেল যোগে এই বিষয়ে নিশ্চিত কৰে। তেওঁ কয়, যে ছিংগাপুৰত মৰণোত্তৰ পৰীক্ষা সম্পন্ন কৰা হৈছে যদিও ৰাইজে সমগ্ৰ ঘটনাটোক লৈ সন্দেহ প্ৰকাশ কৰাৰ লগতে বাৰম্বাৰ পুনৰ মৰণোত্তৰ পৰীক্ষাৰ বাবে দাবী উত্থাপন কৰাৰ পৰিপ্ৰেক্ষিতত চৰকাৰে বাধ্য হৈ এই সিদ্ধান্ত গ্ৰহণ কৰিছে। ইয়াৰ পৰিপ্ৰেক্ষিতত কাইলৈ শেষকৃত্য সময়ৰ কিছু সালসলনি হ'ব পাৰে বুলি মুখ্যমন্ত্ৰীয়ে উল্লেখ কৰে। তেওঁ কয়, যে পুৱা চাৰে ৭ বজাত এইমছৰ বিশেষজ্ঞ চিকিৎসকে গুৱাহাটী চিকিৎসা মহাবিদ্যালয়ত শিল্পীগৰাকীৰ মৰণোত্তৰ পৰীক্ষা কৰিব। ইয়াৰ আনুমানিক ডেৰ ঘণ্টামানৰ পাছত শিল্পীগৰাকীক সৰুসজাই ষ্টেডিয়ামলৈ লৈ যোৱা হ'ব। ইয়াৰ পাছতে শেষকৃত্যৰ বাবে সমদল উলিওৱা হ'ব বুলি মুখ্যমন্ত্ৰীয়ে উল্লেখ কৰে।

মুখ্যমন্ত্ৰীয়ে সামাজিক মাধ্যমত জুবিন গাৰ্গৰ পত্নীৰ বিষয়ে কোনো তথ্যবিহিনভাৱে আপত্তিজনক মন্তব্য কৰি থকা সকলক আইনে সহজভাৱে নল'ব বুলিও সকীয়াই দিয়ে। তেওঁ আৰক্ষী আৰু আইনৰ ওপৰত আস্থা ৰাখি চলিবলৈ আহ্বান জনায়। তেওঁ লগতে সামাজিক মাধ্যমত ঘটনাটোৰ সন্দৰ্ভত বিভ্ৰান্তিকৰ তথ্য বিয়পাই থকা সকলক আৰক্ষীৰ অপৰাধ অনুসন্ধান শাখাত বিবৃতি দিবলৈও পৰামৰ্শ দিয়ে। অসম আৰক্ষীৰ দল তদন্তৰ বাবে ছিংগাপুৰলৈ গৈ ঘটনাস্থলীৰ চিচিটিভি ফুটেজ সংগ্ৰহ কৰিব বুলিও মুখ্যমন্ত্ৰীয়ে জানিবলৈ দিয়ে।

০০০০০

বিটিচি পৰিষদীয় নিৰ্বাচনৰ ভোটগ্ৰহণৰ আজি বিয়লি ৪ বজাত সামৰণি পৰিছে। আজি পুৱা চাৰে ৭ বজাৰ পৰা অনুষ্ঠিত ভোটগ্ৰহণত  ৭২ দশমিক ৬-১ শতাংশ ভোটদান হোৱা বুলি অসম ৰাজ্যিক নিৰ্বাচন আয়োগে প্ৰকাশ কৰিছে। অৱশ্যে সকলো ভোটগ্ৰহণ কেন্দ্ৰৰ পৰা সম্পূৰ্ণ তথ্য লাভ কৰাৰ পাছত এই সংখ্যা আৰু বাঢ়িব পাৰে বুলি কোৱা হৈছে। আমাৰ সংবাদদাতাসকলে জনোৱা অনুসৰি বাক্সা জিলাত বিয়লি চাৰে ৪ বজালৈকে সামগ্ৰিকভাৱে ৭১ দশমিক ২-৪ শতাংশ ভোটদান হয়। জিলাখনৰ শালবাৰী সমষ্টিত ৭১ দশমিক ৫ শতাংশ ভোটৰ অধিকাৰ সাব্যস্ত কৰা

হৈছে। ওদালগুৰি জিলাত আবেলি চাৰে ৪ বজালৈ ৬৮ দশমিক ৩-২ শতাংশ ভোটদান হয়। এই সন্দৰ্ভত ওদালগুৰিৰ আমাৰ সংবাদদাতা নাৰায়ণ ডেকা–

**ভইচ (নাৰায়ণ ডেকা)**

তামুলপুৰ জিলাত বিয়লি চাৰে ৪ বজালৈকে প্ৰায় ৬৫ শতাংশ, চিৰাং জিলাত ৭০ শতাংশ আৰু কোকৰাঝাৰ জিলাৰ ১২টা সমষ্টিত আবেলি চাৰে ৩ বজালৈকে ৭০ দশমিক ৬-৮ শতাংশ ভোটগ্ৰহণ হয়। পৰ্বতঝোৰা সমষ্টিত ৭৫ দশমিক ৪-৩ শতাংশ আৰু যমদুৱাৰ সমষ্টিত ৭৫ দশমিক ১-৬ শতাংশ ভোটদান হয়। ভোটগ্ৰহণৰ সময়ছোৱাত কোনো ঠাইৰ পৰা কোনো অপ্ৰীতিকৰ ঘটনা ঘটাৰ বাতৰি এতিয়ালৈকে পোৱা হোৱা নাই।

এইবাৰ নিৰ্বাচনত ৩১৬ গৰাকী প্ৰাৰ্থীয়ে প্ৰতিদ্বন্দ্বিতা আগবঢ়াইছে। ২৬ লাখ ৫৮ হাজাৰ ১৫৩ গৰাকী ভোটাৰে এইসকল প্ৰাৰ্থীৰ ভাগ্য নিৰ্ণয় কৰিব। উল্লেখযোগ্য যে, বিটিচিৰ মুখ্য কাৰ্যবাহী সদস্য তথা ইউ পি পি এলৰ মুৰব্বী প্ৰমোদ বড়োৱে গয়বাৰী আৰু দোতমা সমষ্টিত প্ৰতিদ্বন্দ্বিতা কৰিছে। বি পি এফৰ মুৰব্বী তথা প্ৰাক্তন মুখ্য কাৰ্যবাহী সদস্য হাগ্ৰামা মহিলাৰীয়ে দেবৰ গাঁও আৰু চিৰাং দুৱাৰ সমষ্টিত প্ৰতিদ্বন্দ্বিতা কৰিছে।

০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি অৰুণাচল প্ৰদেশৰ ২৪০ মেগাৱাট শক্তিসম্পন্ন হেঅ' জলবিদ্যুৎ প্ৰকল্প আৰু ১৮৬ মেগাৱাট শক্তিসম্পন্ন টাটো জলবিদ্যুৎ প্ৰকল্পৰ প্ৰথমটো গোটৰ আধাৰশিলা স্থাপন কৰে। ৰাষ্ট্ৰীয় তাপবিদ্যুৎ নিগমৰ অধীনত ৩ হাজাৰ ৭০০ কোটি টকা ব্যয় সাপেক্ষ এই দুয়োটা প্ৰকল্প উত্তৰ পূৰ বিদ্যুৎ শক্তি নিগম চমুকৈ নিপকো আৰু অৰুণাচল প্ৰদেশ চৰকাৰৰ যৌথ উদ্যোগত নিৰ্মাণ কৰা হ'ব। উল্লেখযোগ্য যে ৰাজ্যখনৰ চি অ'মি জিলাৰ চিঅ'মত নিৰ্মাণ কৰিবলগীয়া হেঅ' জলবিদ্যুৎ প্ৰকল্পত ৮০ মেগাৱাটকৈ শক্তিৰ ৩ টা উৎপাদন গোট থাকিব। টাটো জলবিদ্যুৎ প্ৰকল্পত ৩ টাকৈ ৬২ মেগাৱাট শক্তি উৎপাদনক্ষম গোট থাকিব। এই উপলক্ষে দিয়া ভাষণত প্ৰধানমন্ত্ৰী মোদীয়ে কয় যে ২০৪৭ চনৰ ভিতৰত ভাৰত এখন বিকশিত ৰাষ্ট্ৰত পৰিণত হোৱাৰ ক্ষেত্ৰত সকলো ৰাজ্যৰ অৰিহণা গুৰুত্বপূৰ্ণ হ'ব। শক্তিখণ্ডত ২০৩০ চনৰ ভিতৰত ভাৰতে ৫০০ গিগাৱাট শক্তি উৎপাদনৰ লক্ষ্যত উপনীত হোৱাৰ ক্ষেত্ৰত উত্তৰ পূৰ্বাঞ্চলৰ ভূমিকা লেখতলবলগীয়া হব বুলি প্ৰধানমন্ত্ৰীয়ে মন্তব্য কৰে। আজিৰ এই অনুষ্ঠানত অৰুণাচল প্ৰদেশৰ ৰাজ্যপাল জেনেৰেল কে টি পাৰনায়ক, ৰাজ্যখনৰ মুখ্যমন্ত্ৰী পেমা খাণ্ডু আৰু কেন্দ্ৰীয় মন্ত্ৰী কিৰেণ ৰিজিজুকে ধৰি ভালেসংখ্যক বিশিষ্ট ব্যক্তি উপস্থিত আছিল।

ইয়াৰ পাছত তেওঁ ইটানগৰত এখন ৰাজহুৱা সভাত অংশগ্ৰহণ কৰে আৰু ৰাজ্যখনৰ স্থানীয় কৰদাতা, ব্যৱসায়ী আৰু উদ্যোগৰ প্ৰতিনিধিসকলৰ সৈতেও মত বিনিময় কৰে।

অৰুণাচল প্ৰদেশৰ পৰা প্ৰধানমন্ত্ৰী আজি ত্ৰিপুৰালৈ যায় আৰু ত্ৰিপুৰাত **প্ৰাসাদ** আঁচনিৰ অধীনত মাতা ত্ৰিপুৰা সুন্দৰী মন্দিৰৰ চৌহদত নতুনকৈ গঢ়ি তোলা বুনিয়াদী সা-সুবিধা আৰু সৌন্দৰ্যবৰ্ধন কাৰ্য মুকলি কৰে। প্ৰধানমন্ত্ৰীয়ে মাতা ত্ৰিপুৰা সুন্দৰী মন্দিৰত পূজা আগবঢ়োৱাৰ লগতে মন্দিৰ চৌহদত আয়োজন কৰা এখন প্ৰদৰ্শনীও পৰিদৰ্শন কৰে।

০০০০০

দেৱী দুৰ্গাক আৰাধনাৰ বাবে আজি শুক্লা প্ৰতিপদৰ পৰা আধ্যাত্মিক ৰীতি-নীতিৰে নৱৰাত্ৰি পূজা কৰা হৈছে। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি আৰম্ভ হোৱা নৱৰাত্ৰি উপলক্ষে জনসাধাৰণলৈ শুভেচ্ছা জ্ঞাপন কৰিছে। উল্লেখযোগ্য যে নৱৰাত্ৰিৰ সময়ত ভক্তসকলে দেৱী দুৰ্গাৰ ৯টা ৰূপক পূজা-অৰ্চনা কৰে। আজি প্ৰথম দিনা শৈলপুত্ৰী হিচাপে মা দুৰ্গাক আৰাধনা কৰা হয়। ইয়াৰ পাছত ক্ৰমান্বয়ে ব্ৰহ্মচাৰিণী, চন্দ্ৰঘণ্টা, কুষ্মাণ্ড, স্কন্দমাতা, কাত্যায়নী ৰূপত শক্তিৰূপিনী মা দুৰ্গাৰ পূজা কৰা হ'ব। আনহাতে মহাষষ্ঠীৰ সন্ধিয়া বেলবৰণ কৰাৰ পাছতে সপ্তমীত কালৰাত্ৰি, মহাষ্টমীত মহাগৌৰী আৰু মহা নৱমীত সিদ্ধিদাত্ৰীৰ ৰূপত পূজা কৰাৰ পাছত দশমীত দেৱীক বিসৰ্জন দিয়া হ'ব। এইবাৰ দেৱীৰ হস্তীত আগমন হৈছে আৰু দোলাত গমন কৰিব। জনতাৰ শিল্পী জুবিন গাৰ্গৰ বিয়োগত এইবাৰ শাৰদীয়

পূজাৰ পৰিৱেশ ম্লান পৰিছে যদিও সম্পূৰ্ণ ধৰ্মীয় পৰম্পৰাৰে শক্তিপীঠ কামাখ্যা ধামকে ধৰি সকলো দেৱালয়তে এই নৱৰাত্ৰি পূজা আৰম্ভ হৈছে।

০০০০০

আকাশবাণী গুৱাহাটীৰ প্ৰাক্তন বাতৰি পঢ়োঁতা গোলাপ শইকীয়াৰ পঞ্চম মৃত্যু বাৰ্ষিকী উপলক্ষে অষ্টম শ্ৰেণীৰ পৰা দ্বাদশ শ্ৰেণীৰ ছাত্ৰ-ছাত্ৰীৰ বাবে অসমীয়াত অনলাইন বাতৰি পঢ়া প্ৰতিযোগিতাৰ আয়োজন কৰা হৈছে। ইচ্ছুক প্ৰতিযোগীয়ে সাম্প্ৰতিক ঘটনাৱলী সম্পৰ্কীয় ১ মিনিটৰ বাতৰিৰ অ'ডিঅ' মোবাইল ফোন অথবা অডিঅ' ৰেকৰ্ডাৰত ৰেকৰ্ড কৰি ২৪ ছেপ্তেম্বৰৰ পূৰ্বে এম-পি থ্ৰী ৰূপত হোৱাট্ছএপযোগে পঠিয়াব লাগিব। হোৱাট্ছএপ নম্বৰকে ধৰি প্ৰতিযোগিতাৰ সবিশেষ জানিবলৈ ইচ্ছুক প্ৰতিযোগীয়ে আমাৰ ফেচবুক পেজ এ আই আৰ নিউজ গুৱাহাটী চাব পাৰে।

০০০০০

কেন্দ্ৰীয় চৰকাৰৰ সুস্থ নাৰী শক্তিশালী পৰিয়াল আঁচনিৰ সৈতে সংগতি ৰাখি আজি বঙাইগাঁও জিলাৰ তিনিওটা বিধানসভা সমষ্টিতে যক্ষ্মা ৰোগীসকলক পুষ্টিকৰ খাদ্যৰ টোপোলা দিয়া হয়। প্ৰতিটো বিধানসভা সমষ্টিৰ এশজন যক্ষ্মা ৰোগীক, নিক্ষয়মিত্ৰই এই খাদ্যৰ টোপোলা বিতৰণ কৰে। বঙাইগাঁও জিলা স্বাস্থ্য সমিতিৰ উদ্যোগত অনুষ্ঠিত এই খাদ্যৰ টোপোলা প্ৰদান অনুষ্ঠানত জিলা আয়ুক্ত নৱদ্বীপ পাঠক উপস্থিত থাকে। অনুষ্ঠানটি প্ৰয়াত মহান শিল্পী জুবিন গাৰ্গৰ প্ৰতিছবিত শ্ৰদ্ধাঞ্জলি জনাই আৰম্ভ কৰা হয়।

তিনিচুকীয়া জিলাতো আজি সেৱা সপ্তাহৰ অংশ হিচাপে ১৩টা স্থানত নিক্ষয় শিবিৰ অনুষ্ঠিত হয়। যক্ষ্মা ৰোগ নিৰ্মূল নাই হ্ৰাস কৰাৰ লক্ষ্যৰে আজি জিলা স্বাস্থ্য সমিতিৰ উদ্যোগত এই শিবিৰ মুকলি কৰা হয়। এই শিবিৰত নিক্ষয় টোপোলা বিতৰণ কৰা হয়। ৰোগীৰ বাবে সহায় হোৱাকৈ এই টোপোলা চাউল, খোৱা তেল আৰু অন্যান্য পুষ্টিকৰ খাদ্য দিয়া হয়। সেৱা সপ্তাহৰ অংশ হিচাপে জিলাখনত ২৪ ছেপ্তেম্বৰৰ পৰা প্ৰতিটো বিধানসভা সমষ্টিত স্বাস্থ্য মেলা অনুষ্ঠিত হ'ব। গোৱালপাৰা জিলাতো আজি চাৰিওটা বিধানসভা সমষ্টিত মুঠ ৪৩০ গৰাকী ৰোগীক নিক্ষয় টোপোলা বিতৰণ কৰা হয়। ইপিনে দৰং জিলাত সেৱা সপ্তাহৰ অংশ হিচাপে কাইলৈৰ পৰা হ'বলগীয়া এই স্বাস্থ্য মেলা জুবিন গাৰ্গৰ আকস্মিক বিয়োগৰ পৰিপ্ৰেক্ষিতত স্থগিত ৰখা হৈছে।

০০০০০

সমাপ্ত